**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-02-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম পাঠশালা অধিৱেশনৰ সামৰণি।

২। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰক নতুন দিল্লীত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সাক্ষাৎ।

৩। ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত গুণোৎসৱৰ তৃতীয় পৰ্যায় আৰম্ভ।

৪। অসমতো বিশ্ব কৰ্কট ৰোগ দিৱস পালন। ৰোগৰ উন্নত চিকিৎসাৰ বাবে ৰাজ্য চৰকাৰৰ সংকল্প।

আৰু

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ বক্সিঙত লাভলীনা বৰগোহাঁই, অভিনৱ শইকীয়াৰ পদক নিশ্চিত।

০০০০

নাট্যনগৰী পাঠশালাত ৫ দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰিব। —— **(মিউজিক- চিৰ চেনেহী)**

আজি পুৱা অসমৰ জনগোষ্ঠীয় ছাত্ৰ যুৱ সন্মিলনেৰে অনুষ্ঠানৰ কাৰ্যসূচী আৰম্ভ হয়। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমায়ে উদ্বোধন কৰা এই সন্মিলনত কেইবাটাও ছাত্ৰ সংগঠনৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। ইয়াৰ পাছতে সাংবাদিক সন্মিলন আৰু সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰা হয়। নিয়মীয়া বাৰ্তা কাকতৰ মুখ্য সম্পাদক নৰেশ কলিতাই উদ্বোধন কৰা এই সন্মিলনত দৈনিক অসম কাকতৰ প্ৰাক্তন সহযোগী সম্পাদক বেদব্ৰত মিশ্ৰই প্ৰতিনিধি হিচাপে অংশ লয়। দিনৰ ভাগত অনুষ্ঠিত **আকাশ** শীৰ্ষক মহিলাসকলৰ প্ৰতিভা বিকাশৰ অনুষ্ঠানটি ধেমাজিৰ বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ বিনিতা চৌধুৰী গাৰডিয়াই উদ্বোধন কৰে। বিয়লি সভাৰ মূল মঞ্চত নাট্য সন্মিলন আৰু গ্ৰন্থমেলাৰ বাকৰিত আজীৱন সভ্য সন্মিলন অনুষ্ঠিত হয়। আজি অনুষ্ঠানতে অসম সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি মৃণালিনী দেৱীক অসম সাহিত্য সভাই জীৱনযোৰা সাহিত্য প্ৰাণ সন্মান আৰু নৃপেন্দ্ৰ নাথ ভাগৱতীক সেৱা প্ৰাণ সন্মান প্ৰদান কৰাৰ কথা সাহিত্য সভাৰ বিদায়ী প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মাই প্ৰকাশ কৰিছে। আজি সন্ধিয়াৰ ভাগত বৰ্ণাঢ্য সাংস্কৃতিক কাৰ্যসূচীৰে অধিৱেশনৰ সামৰণি মৰা হ'ব। সাহিত্য সভাৰ এই অধিৱেশন সন্দৰ্ভত অধিৱেশনথলীৰ পৰা এয়া আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰ——

**ভইচ প্লাছ মিউজিক (দামোদৰ তালুকদাৰ)**

০০০০০০

অসমৰ ঔদ্যোগিক আৰু বিনিয়োগ আন্তঃগাঁথনি শক্তিশালী কৰাৰ লক্ষ্যৰে দ্বিতীয়বাৰৰ বাবে আয়োজিত এডভাণ্টেজ আছাম সন্মিলনৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰক নতুন দিল্লীত সাক্ষাৎ কৰে। মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক এই সন্মিলনলৈ আমন্ত্ৰণ জনোৱাৰ লগতে শ্ৰী জয়শংকৰে দেশৰ এক্ট-ইষ্ট নীতিত অসমৰ গুৰুত্বপূৰ্ণ ভূমিকা সন্দৰ্ভত এডভাণ্টেজ আছামৰ কাৰ্যসূচীত আলোকপাত কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ লগতে এই সন্মিলনৰ পৰিপ্ৰেক্ষিতত ভূটান, দক্ষিণ কোৰিয়া আৰু জাপান ভ্ৰমণসূচীৰ বিষয়েও মন্ত্ৰীগৰাকীক আভাস দিয়ে। উল্লেখযোগ্য যে ৰাজ্যখনলৈ বিনিয়োগকাৰীক আকৰ্ষিত কৰাৰ উদ্দেশ্যে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত আয়োজিত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে প্ৰস্তুতি চলি আছে। এই শীৰ্ষ সন্মিলনৰ সৈতে সংগতি ৰাখি এখন আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী কেশৱ মহন্তই আজি প্ৰদৰ্শনী উপ-সমিতিৰ বিষয়াসকলৰ সৈতে প্ৰদৰ্শনীৰ আয়োজনৰ সৈতে জড়িত বিভিন্ন দিশ সন্দৰ্ভত এখন বৈঠকত মিলিত হয়। তেওঁ লগতে খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰৰ প্ৰদৰ্শনীথলীও পৰিদৰ্শন কৰে। অসমত গঢ়ি উঠা বিনিয়োগৰ অনুকুল বাতাবৰণ, সামৰ্থ আৰু সম্ভাৱনাক এই প্ৰদৰ্শনীত প্ৰতিফলিত কৰা হ'ব। প্ৰদৰ্শনীত টাটা

গ্ৰুপ, ৰিলায়েন্স, আদানী আদি আগশাৰীৰ ভাৰতীয় কোম্পানীৰ লগতে বহুকেইটা বহুজাতিক কোম্পানী আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ অগ্ৰণী ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে ভাগ ল'ব বুলি মন্ত্ৰী কেশৱ মহন্তই প্ৰকাশ কৰিছে। তেওঁ লগতে এই প্ৰদৰ্শনীত অংশীদাৰ দেশ হিচাপে ভাগ ল'বলৈ কেইবাখনো দেশেও আগ্ৰহ প্ৰকাশ কৰাৰ কথাও জানিবলৈ দিয়ে।

আজিৰ বৈঠকত প্ৰদৰ্শনী উপ-সমিতিৰ দায়িত্বত থকা ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ প্ৰধান সচিব জি ডি ত্ৰিপাঠী, অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেডৰ পৰিচালন সঞ্চালক মানবেন্দ্ৰ প্ৰতাপ সিঙকে ধৰি অসম ৰাজ্যিক পৰিবহণ নিগম, লোকনিৰ্মাণ, জনস্বাস্থ্য কাৰিকৰী আদি বিভাগৰ জ্যেষ্ঠ বিষয়া আৰু অভিযন্তাসকলে অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত অংশ লোৱাৰ বাবে অহা ২৪ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অসমলৈ আহিব। সন্মিলনৰ অংশ হিচাপে ২৪ ফেব্ৰুৱাৰীত হ'বলগীয়া সৰ্ববৃহৎ ঝুমুৰ নৃত্যৰ অনুষ্ঠানতো প্ৰধানমন্ত্ৰীয়ে অংশ লোৱাৰ কথা। ২৫ ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰীয়ে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আনুষ্ঠানিকভাৱে মুকলি কৰিব। এই অনুষ্ঠানত ভূটানৰ প্ৰধানমন্ত্ৰীও উপস্থিত থাকিব। পাঁচখন সহযোগী দেশে অংশ ল'বলগীয়া এই সন্মিলনত ৫ শতাধিক বিদেশী উদ্যোগী আৰু বিনিয়োগকাৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে।

০০০০০০০

শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ উপস্থিতিত আজি এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ সন্দৰ্ভত এখন সজাগতা সভাৰ আয়োজন কৰা হয়। শিৱসাগৰ জিলা প্ৰশাসনৰ উদ্যোগত আৰু উদ্যোগ, বাণিজ্য কেন্দ্ৰৰ সহযোগত যুৱদলত আয়োজিত এই কাৰ্যসূচীত মন্ত্ৰী শ্ৰী পেগুৱে ৰাজ্যৰ ব্যৱসায়িক সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃগাঁথনি উন্নয়ন পদক্ষেপসমূহৰ জৰিয়তে আগবাঢ়ি যাবলৈ উদ্যোগীসকলক উৎসাহিত কৰে। এই কাৰ্যসূচীত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ শতাধিক যুৱ উদ্যোগীয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত আজি গুণোৎসৱৰ তৃতীয় পৰ্যায় আৰম্ভ হৈছে। গুণোৎসৱৰ আজি প্ৰথমদিনা বিদ্যালয়সমূহৰ স্ব-মূল্যায়ন কৰা হয়।

**গোৱালপাৰা** জিলাৰ বালিজানা, মাটিয়া, দুধনৈ আৰু লক্ষীপুৰ শিক্ষাখণ্ডৰ অন্তৰ্গত এহেজাৰ ৫৭৪ খন বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীত অধ্যয়নৰত ১ লাখ ৬৩ হাজাৰ ৮৭২ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হ'ব। ইয়াৰ বাবে জিলাখনত ৬৭৬ গৰাকী বিষয়াক বহিঃমূল্যায়ক হিচাপে নিয়োগ কৰা হৈছে।

**দৰং** জিলাত এই পৰ্যায়ত এহেজাৰ ১৭৮ খন বিদ্যালয়ৰ ১ লাখ ২৩ হাজাৰ ২৩০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ বহিঃমূল্যায়ন কৰা হ'ব। আজি স্ব-মূল্যায়নৰ অন্তত কাইলৈৰ পৰা ৫৩১ গৰাকী বহিঃমূল্যায়কে গুণোৎসৱৰ কাৰ্যসূচীত ভাগ ল'ব।

উল্লেখযোগ্য যে ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাচাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰী জিলাত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে বৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ অনুষ্ঠিত হৈছে। এই পৰ্যায়ত মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০০

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

**চৰাইদেউ** জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু অসম কৰ্কট পৰিচৰ্যা সংস্থাৰ সহযোগত আজি চৰাইদেউ জিলা চিকিৎসালয়ৰ সভাকক্ষত বিশ্ব কৰ্কট ৰোগ দিৱসৰ কাৰ্যসূচী লোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সমল ব্যক্তিসকলে এই

ৰোগৰ সজাগতা আৰু চিনাক্তকৰণ সন্দৰ্ভত বক্তব্য আগবঢ়ায়। **তেজপুৰ** কৰ্কট কেন্দ্ৰৰ উদ্যোগত আজি এটা চাইকেল সমদল উলিয়াই সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। ইয়াৰ পাছতে এখন সজাগতা সভাও অনুষ্ঠিত হয়।

**দৰং** কৰ্কট কেন্দ্ৰৰ উদ্যোগতো আজি দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। এই উপলক্ষে উলিওৱা সজাগতামূলক পদযাত্ৰাত অংশগ্ৰহণকাৰীসকলে মাদক দ্ৰব্য সেৱন বিৰোধী আৰু কৰ্কট ৰোগ প্ৰতিৰোধী শ্ল'গান দিয়ে। ইয়াৰ পাছতে এখন সজাগতা সভা অনুষ্ঠিত হয়।

**কোকৰাঝাৰ** জিলাৰ ৰূপনাথ ব্ৰহ্ম অসামৰিক চিকিৎসালয়ৰ পৰা চালাকাটিলৈ আজি কৰ্কটৰোগৰ সজাগতামূলক এটা মটৰচাইকেল সমদল উলিওৱা হয়। কোকৰাঝাৰ কৰ্কট চিকিৎসা কেন্দ্ৰৰ অধীক্ষক ডাঃ নিৰ্মল সিঙে এই সমদলৰ শুভাৰম্ভ কৰে। কমেও ৫০ গৰাকী ব্যক্তিয়ে এই মটৰচাইকেল সমদলত অংশ লয়। জিলাখনত কৰ্কট ৰোগ সন্দৰ্ভত ব্যাপক সজাগতা সৃষ্টিৰ উপৰি আক্ৰান্তসকলৰ মনত এই ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ বাবে সাহস আৰু ইতিবাচক মনোভাৱ সৃষ্টিৰ বাবে এই সমদলৰ আয়োজন কৰা হয়।

**মৰিগাঁও** ধপাত নিয়ন্ত্ৰণৰ কোষৰ উদ্যোগত আজি জিলাখনৰ পবিতৰা হাট ভৱনত কৰ্কট ৰোগৰ বিৰুদ্ধে এখন সজাগতা সভা আয়োজন কৰা হয়। মৰিগাঁও জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকে উদ্বোধন কৰা এই সভাত মুখ্য অতিথিৰূপে অংশ লৈ ভাৰতীয় কেন্সাৰ কেয়াৰ সংস্থাৰ অধ্যক্ষ তথা জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই এই ৰোগৰ সজাগতা সন্দৰ্ভত ব্যাখ্যা আগবঢ়ায়। সংবাদ মাধ্যমৰ আগত তেওঁ কয়—

**বাইট (দেৱাশীষ শৰ্মা)**

**বৰপেটা**ৰ কৰ্কট চিকিৎসা কেন্দ্ৰৰ চৌহদৰ পৰা আজি এই ৰোগৰ সজাগতা সমদল উলিওৱা হয়। কৰ্কট কেন্দ্ৰটোৰ চিকিৎসক, নাৰ্চ আৰু স্বাস্থ্যকৰ্মীৰ দলে এই সমদলত অংশ লয়। সমদলটো মুকলি কৰি বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ অধ্যক্ষ ডাঃ ৰমেন তালুকদাৰে এই ৰোগ সন্দৰ্ভত ভ্ৰান্ত ধাৰণাৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কয়, যে এই দিৱস কৰ্কট ৰোগীসকলৰ সৈতে তেওঁলোকৰ পৰিয়ালৰ সহনশীলতা আৰু প্ৰতিকুলতাৰ বিৰুদ্ধে যুঁজ দিয়াৰ মনোভাৱক শ্ৰদ্ধা জনোৱাৰ বাবে পালন কৰা হয়। ৰাজ্যখনত এই ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত চৰকাৰে প্ৰদান কৰা উৎকৃষ্ট চিকিৎসা সেৱাৰ বিষয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্য বাহিনীয়ে কোকৰাঝাৰ আৰক্ষীৰ সহযোগত জিলাখনত অভিযান চলাই কালি নিষিদ্ধ ঘোষিত সংগঠনৰ সৈতে যোগাযোগ ৰক্ষা কৰি জেহাদী কাৰ্যকলাপ চলাই থকাৰ সন্দেহত এজন লোকক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে বিশেষ সূত্ৰৰ পম খেদি অভিযান চলাই গ্ৰেপ্তাৰ কৰা লোকজন নাছিম উদ্দিন এছ কে বুলি প্ৰকাশ কৰিছে। ধৃত নাছিম উদ্দিন জেহাদী সংগঠন আনছাৰুল্লা বাংলা আৰু জামাত উল মুজাহিদিনৰ সক্ৰিয় সদস্য বুলিও আৰক্ষীয়ে প্ৰকাশ কৰে। লোকজনক জেৰা কৰাৰ বাবে গুৱাহাটীলৈ অনাৰ পাছত কামৰূপ মহানগৰ জিলা মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱাই অধিক সোধা-পোছাৰ বাবে আৰক্ষীয়ে ৭ দিনৰ বাবে জিম্মাত লৈছে। তদন্তকাৰী সংস্থাটোৱে প্ৰকাশ কৰা মতে ধৃত নাছিম উদ্দিন জেহাদী কাৰ্যকলাপত জড়িত থকাৰ অভিযোগত পূৰ্বে গ্ৰেপ্তাৰ হোৱা নুৰুল ইছলাম মণ্ডল নামৰ লোকজনৰ ঘনিষ্ঠ আছিল। তেওঁলোকে অস্ত্ৰ-শস্ত্ৰ আহৰণ আৰু আই ডি প্ৰস্তুত কৰাকে ধৰি বিভিন্ন সন্ত্ৰাসবাদী কাৰ্যকলাপৰ অভিসন্ধি কৰিছিল বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। ইয়াৰ পূৰ্বে যোৱা বছৰৰ ১৮ ডিচেম্বৰত আৰক্ষীয়ে ধুবুৰী আৰু কোকৰাঝাৰ জিলাৰ বিভিন্ন অঞ্চলত অভিযান চলাই নিষিদ্ধ ঘোষিত সন্ত্ৰাসবাদী সংগঠন জামাত উল মুজাহিদিনৰ ৮ জন সদস্যক গ্ৰেপ্তাৰ কৰিছিল।

ooooo

গোৱালপাৰা জিলাৰ প্ৰতিটো চৰকাৰী বিভাগৰ ভূমি, এই বিভাগসমূহে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ তথ্য প্ৰধানমন্ত্ৰীৰ গতিশক্তি যোজনাৰ প'ৰ্টেলত আপলোড কৰাৰ বিষয়ত আজি গোৱালপাৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন সভা অনুষ্ঠিত হয়। সভাত প্ৰধানমন্ত্ৰী গতিশক্তি যোজনাৰ গোৱালপাৰা জিলাৰ ন'ডেল বিষয়া তথা সহকাৰী আয়ুক্ত অনুপম দাসে এই যোজনা সন্দৰ্ভত

বিশদভাৱে বৰ্ণনা কৰে। প্ৰধানমন্ত্ৰী গতিশক্তি প'ৰ্টেলত প্ৰথম পৰ্যায়ত স্বাস্থ্য বিভাগৰ নিৰ্মাণকাৰ্য, অংগনৱাড়ী কেন্দ্ৰ স্থাপন, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ নিৰ্মাণকাৰ্য, পথ নিৰ্মাণ, বিদ্যুৎ বিভাগৰ নতুন প্ৰকল্প আদিকে ধৰি বিভিন্ন বিভাগৰ কাম-কাজৰ সমূহ তথ্য আপলোড কৰা হ'ব। এই তথ্যসমূহে পৰৱৰ্তী পৰ্যায়ত জিলাখনত যিকোনো প্ৰকল্প ৰূপায়ণ কৰাৰ ক্ষেত্ৰত সহায় কৰিব। সভাত জিলা আয়ুক্ত খনীন্দ্ৰ চৌধুৰীয়ে এই প'ৰ্টেলত তথ্য আপলোডৰ কামসমূহ নিয়াৰিকৈ সম্পন্ন কৰাৰ বাবে আটাইবোৰ বিভাগৰ বিষয়া আৰু অভিযন্তাসকলক শীঘ্ৰেই প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি উল্লেখ কৰে।

ooooooo

অহা ৬ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনৰ বাবে ব্যাপক প্ৰস্তুতি চলি আছে। যোৰহাট জিলাৰ ম'হবন্ধাৰ এৰালতলী পথাৰত চাৰিদিনীয়া কাৰ্যসূচীৰে আয়োজিত এই অধিৱেশনলৈ ভকত-বৈষ্ণৱসকলক আদৰাৰ বাবে আদৰণি সমিতিয়ে সকলো ব্যৱস্থা সম্পূৰ্ণ কৰি তুলিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শক সাৱোগত কৰি যোৰহাট জিলা শাখাৰ আতিথ্যত বিভিন্ন দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ সহযোগিতাত আয়োজন কৰা এই অধিৱেশনত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভকত-বৈষ্ণৱসকলে অংশগ্ৰহণ কৰিব। আজি ম'হবন্ধাৰ এৰালতলী পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰৰ নামঘৰত ধৰ্মধবজা প্ৰতিষ্ঠা কৰা হয়।

ooooooo

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ বক্সিঙৰ মহিলাৰ ৭৫ কিলোগ্ৰাম শাখাত অলিম্পিক পদক জয়ী বক্সাৰ লাভলীনা বৰগোহাঁইয়ে ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত তেওঁ উত্তৰাখণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-০ৰ ব্যৱধানত পৰাজিত কৰি পদক নিশ্চিত কৰিছে। একেদৰে পুৰুষৰ ৭১ কিলোগ্ৰাম শাখাত অসমৰ নৱাগত বক্সাৰ অভিনৱ শইকীয়াইয়ো ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে। আজি কোৱাৰ্টাৰ ফাইনেলত তেওঁ উত্তৰাখণ্ডৰ প্ৰতিদ্বন্দ্বীক ৫-২ৰ ব্যৱধানত পৰাজিত কৰে।

ooooo

লখিমপুৰ জিলাৰ শিক্ষাৰ সৈতে জড়িত স্বেচ্ছাসেৱী অনুষ্ঠান শিক্ষা সাৰথীয়ে আজি অনুষ্ঠানটোৰ তিনি বছৰীয়া বৰ্ষপূৰ্তি উদযাপনৰ সৈতে সংগতি ৰাখি পিতৃ-মাতৃহীন ভালেমান শিক্ষাৰ্থীৰ মাজত প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। কাকৈ নপাম প্ৰাথমিক বিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত অনুষ্ঠানটোৰ সদস্যসকলৰ লগতে আন কেইবাগৰাকী শিক্ষা বিষয়াও উপস্থিত থাকে। এই স্বেচ্ছাসেৱী অনুষ্ঠানটোৱে জিলাখনৰ পিছপৰা অঞ্চলৰ এহেজাৰ ৩০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীক বিগত সময়ছোৱাত নেওতাৰ কিতাপ যোগান ধৰি অহাৰ লগতে চকুৰ অসুবিধাত পৰা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰাৰম্ভিক চিকিৎসা ব্যয়ো বহন কৰি আহিছে।

ooooooo

শিৱসাগৰ জিলাত আজি টাই-আহোম ছাত্ৰ সন্থাই জিলাখনৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ ৫০০ ৰো অধিক সদস্যই শিৱসাগৰ চহৰৰ বৰ্ডিং খেলপথাৰৰ পৰা সমদল উলিয়াই বিক্ষোভ প্ৰদৰ্শন কৰে। জিলা প্ৰশাসন আৰু চৰকাৰৰ হেমাহিৰ বাবে আহোম ৰাজত্ব কালৰ প্ৰাচীন কীৰ্তিচিহ্নসমূহৰ অৱক্ষয় হোৱাৰ লগতে অবৈধ দখলৰ কবলত পৰিছে বুলি টাই-আহোম ছাত্ৰ সন্থাই অভিযোগ কৰে। উল্লেখযোগ্য যে শিৱসাগৰ জিলা প্ৰশাসনে চৰজমিন তদন্ত কৰি জিলাখনত ৫০০ ৰো অধিক প্ৰাচীন কীৰ্তিচিহ্ন থকা বুলি পূৰ্বে সদৰি কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত প্ৰশাসনে এই কীৰ্তিচিহ্নসমূহ সংৰক্ষণ আৰু সংবৰ্ধনৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি সংগঠনটোৱে অভিযোগ কৰে। এই সম্পদসমূহৰ বিজ্ঞানসন্মত সংৰক্ষণৰ বাবে টাই-আহোম ছাত্ৰ সন্থাই চৰকাৰক দাবী জনোৱাৰ লগতে ইয়াৰ বাবে নিৰ্দিষ্ট সময়সীমাও নিৰ্ধাৰণ কৰি দিয়ে।

ooooooo

শোণিতপুৰ জিলাত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণৰ সফল আয়োজন নিশ্চিত কৰাৰ বাবে আজি তেজপুৰৰ বিধায়ক পৃথ্বীৰাজ ৰাভাৰ উপস্থিতিত আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত খেলপথাৰসমূহ সাজু কৰি তোলা, খেলুৱৈসকলৰ

পৰিবহণৰ ব্যৱস্থা, বাজেট আৱণ্টন আৰু আনুষংগিক বিষয়সমূহ গুৰুত্বসহকাৰে আলোচনা কৰা হয়। বৈঠকত জিলা ক্ৰীড়া বিষয়াগৰাকীয়ে ৮ ফেব্ৰুৱাৰীৰ পৰা ১০ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া খেল মহাৰণৰ প্ৰতিযোগিতাৰ সময়সূচীও ঘোষণা কৰে।

০০০০০০০

গুৱাহাটী ডবা একাডেমীৰ প্ৰশিক্ষাৰ্থী বিকাশজ্যোতি বৰা ফিডে ৰেটিং লাভ কৰা অসমৰ প্ৰথমগৰাকী দৃষ্টিহীন ডবা খেলুৱৈ ৰূপে পৰিগণিত হৈছে। যোৱা ১ ফেব্ৰুৱাৰীত বিশ্ব ডবা সংস্থাই প্ৰকাশ কৰা ফিডে ৰেটিং তালিকা অনুসৰি তেওঁ ১,৫৬৬ ৰেটিং পইণ্ট লাভ কৰে। যোৱা বছৰৰ ২৪ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ গুৱাহাটীত অনুষ্ঠিত এছ পি এছ গুৱাহাটী ইণ্ডিয়া অপেন ইণ্টাৰনেচনেল ৰেটিং ডবা প্ৰতিযোগিতাত প্ৰদৰ্শনৰ ভিত্তিত তেওঁক এই ৰেটিং দিয়া হয়।

০০০০০০০

নগাঁও জিলাৰ জ্যেষ্ঠ অধিবক্তা, সমাজকৰ্মী জ্যোতিৰিন্দ্ৰ মোহন গোস্বামীৰ আজি পুৱা নগাঁও চহৰৰ ফৌজদাৰী পট্টিৰ নিজ বাসগৃহত বাৰ্ধক্যজনিত কাৰণত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৫ বছৰ। জীৱনৰ সুদীৰ্ঘ এছোৱা সময় নগাঁও আদালতত অধিবক্তা হিচাপে সেৱা আগবঢ়োৱা প্ৰয়াত গোস্বামী বিভিন্ন সামাজিক-সাংস্কৃতিক কামৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত জিলাখনৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**